জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮৭/২০২০

# কাতি বিহু উপলক্ষে অসমবাসীলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ১৬ অক্টোবৰঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাতি বিহু উপলক্ষে সমূহ অসমবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কাতি বিহুৰ পবিত্ৰ বন্তিৰ পোহৰে আমাৰ সমাজৰ পৰা অসূয়া, অপ্ৰীতিৰ অন্ধকাৰ আঁতৰাই আমাৰ মাজত থকা সম্প্ৰীতিৰ এনাজৰি অধিক সুদৃঢ় কৰি বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা সকলো অসমবাসীৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিব। কৃষি ভিত্তিক এই উৎসৱ পালনৰ জৰিয়তে অসমৰ শস্য শ্যামলা পথাৰ সমূহ সোণগুটিৰে উপচি পৰি অসমৰ কৃষক সমাজলৈ এক নতুন আশাৰ বতৰা কঢ়িয়াই আনিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**বঃভাঃ / পুঃডেঃ**
**১৬/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in